জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৭৮/২০২২**

# অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত আয়োজিত বিষ্ণু ৰাভা দিৱসত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বিভিন্ন বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

## কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ শৈল্পিক প্ৰতিভা আছিল স্বপ্ৰতিভাৰে মণ্ডিত ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ জুন ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত ডিব্ৰুগড়ৰ চৌকিডিঙ্গী খেলপথাৰত আজি অনুষ্ঠিত ২০২২ বৰ্ষৰ বিষ্ণু ৰাভা দিৱসৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক-সাংস্কৃতিক আৰু সাহিত্য ক্ষেত্ৰত দেশ তথা ৰাজ্যক গৌৰৱান্বিত কৰা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক অসম চৰকাৰে প্ৰৱৰ্তন কৰা কেইবাটাও গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰে। এই বঁটা সমূহৰ ভিতৰত মুখ্যমন্ত্ৰী ড° শৰ্মাই ড° অনুংলা আয়াৰক ৰাষ্ট্ৰীয় পৰ্যায়ৰ ২০২১ বৰ্ষৰ কালিচৰণ ব্ৰহ্ম বঁটা, ড° নৰেন কলিতাক ৰাষ্ট্ৰীয় পৰ্যায়ৰ ২০২১ বৰ্ষৰ কৃষ্ণকান্ত সন্দিকৈ বঁটা আৰু ড° অমলেন্দু ভট্টাচাৰ্যক ৰাষ্ট্ৰীয় পৰ্যায়ৰ ২০২১ বৰ্ষৰ আজান পীৰ বঁটা প্ৰদান কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে ২০২২ বৰ্ষৰ ৰাজ্যিক পৰ্যায়ৰ বিষ্ণু ৰাভা বঁটা চন্দ্ৰকমল গগৈ আৰু শাৰদী শইকীয়াক প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ২০২১ বৰ্ষৰ বাবে বিশিষ্ট অভিনেত্ৰী মৃদুলা বৰুৱাক গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱা বঁটা, ইলা বৰগোঁহাইক অমলপ্ৰভা দাস বঁটা, লীলাৱতী কুশ্ৰেক চন্দ্ৰপ্ৰভা শইকীয়ানি বঁটা, যশস্বী সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীক মামণি ৰয়ছম গোস্বামী বঁটা, সাহিত্যিক ছবিলাল উপাধ্যায়ক চৈয়দ আব্দুল মালিক বঁটা, শিল্পী চৈয়দ ছাদুল্লাক আহমদ আলী বাঁশকান্দি বঁটা, বংশী বৰাক গণেশ গগৈ বঁটা, হেমন্ত গোহাঁইক স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা আৰু ননী বৰুৱাক শোণিত কোঁৱৰ গজেন বৰুৱা বঁটা প্ৰদান কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰতিটো জনগোষ্ঠীৰ পৰম্পৰাগত কৃষ্টি-সংস্কৃতিৰ আঁত উলিয়াই কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই দেখুৱাইছিল কিদৰে ৰাজ্যখনৰ মূলসুঁতিত কোঁহে কোঁহে সোমাই আছে জনগোষ্ঠীয় হৃদয়ৰ স্পন্দন। বিভিন্ন জাতি-জনগোষ্ঠীৰ উপাদানেই যে আমাৰ সংস্কৃতিৰ পথাৰখন সেউজ কৰি আহিছে সেই কথাৰ নিৰ্মোহ পৰ্যালোচনা কৰি বিষ্ণু ৰাভাই অসমীয়া সংস্কৃতিৰ সুগভীৰতাক উপলব্ধি কৰিব পাৰিছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে নৱ উন্মেষৰ আশা লৈ ভূমিৰ উৰ্বৰতা, লোক জীৱনৰ সমাহাৰ আৰু কেঁচা মাটিৰ সুগন্ধি বিয়পোৱাৰ বাবে কলাগুৰু বিষ্ণু

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

প্ৰসাদ ৰাভাৰ সৃষ্টিৰ চেতনাত আছিল এক নান্দনিক বোধ।

মুখ্যমন্ত্ৰীয়ে কয় যে জাতীয় জীৱনৰ পুৰাতন বোধৰ মাজত সংস্কৃতিৰ বিশালতাক সাধাৰণ মানুহৰ কাষলৈ লৈ যাব পৰাটো শিল্পীগৰাকীৰ শিল্প প্ৰতিভাৰ অনন্য ৰূপ। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ শৈল্পিক প্ৰতিভা স্ব-প্ৰতিভাৰে মণ্ডিত আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাভাই বিচাৰি পাইছিল মানুহ তথা সমাজৰ কষতি শিলত বিকশিত হৈ উঠা নান্দনিক চেতনা। তেওঁ কয় যে বিংশ শতাব্দীৰ সংগীতৰ ফল্গু ধাৰাৰ ত্ৰিমূৰ্তি জ্যোতি-বিষ্ণু-সুধাকণ্ঠই অসমীয়া সংগীত জগতখনক এনে এক পৰ্যায়লৈ লৈ গৈছিল যাৰ ফলস্বৰূপে অসমীয়া সংগীতে দেশ বা বিদেশতো সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। এটা জাতিৰ স্বকীয়তাত ই আছিল এক অনবদ্য নিদৰ্শন। আমাৰ নৱ প্ৰজন্মই ৰাভাৰ আদৰ্শৰে সমৃদ্ধিশালী অসম নিৰ্মাণ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে যিসকল ব্যক্তিয়ে সাম্প্ৰতিক বানৰ কবলত পৰি বিভিন্ন আশ্ৰয় শিৱিৰত আশ্ৰয় লৈ আছে আৰু যিসকলে বানৰ পৰা পৰিত্ৰাণৰ নিমিত্তে সংগ্ৰামত ব্ৰতী হৈ আছে অথবা যিসকলে আৰ্তজনক উদ্ধাৰৰ বাবে বিভিন্ন সহায়-সহযোগিতা আগবঢ়াই আছে তেখেতসকলৰ কাষত থিয় হৈ আছো বুলিও কয়। মুখ্যমন্ত্ৰীয়ে বানপানীত মৃত্যু বৰণ কৰা লোকসকলৰ প্ৰতিও গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ সঞ্চালক ড° দেৱজিৎ খনিকৰে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ আৰু শ্ৰম দপ্তৰৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, তৰংগ গগৈ, পোনাকণ বৰুৱা, ৰূপেশ গোৱালা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, অসম পেট্ৰ'কেমিকেল লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**হেঃশঃ**
**২০/০৬/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in